**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

-------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইন্দোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ সফল ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হৈছে।

২। বিজেপিয়ে ভাৰত মহাসাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত স্থায়ী শক্তি হিচাপে আত্মপ্ৰকাশ কৰা বুলি দাবী কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকৰ য়েমেন ভ্ৰমণ সন্দৰ্ভত কেতবোৰ চৰ্ত আৰোপ কৰি ২০১৭ চনত জাৰি কৰা অধিসূচনাখন প্ৰত্যাহাৰ কৰিছে।

৪। আমেৰিকাই ইৰাণৰ বিৰুদ্ধে নতুনকৈ আক্ৰমণ আৰম্ভ কৰিছে। **আৰু**

৫। আৰ্জেণ্টিনাই বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইন্দোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ ছদিনীয়া সফল ভ্ৰমণ সামৰি ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। ত্ৰিদেশীয় যাত্ৰাৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী ৰাষ্ট্ৰপতি প্ৰব'ৱ' ছুবিয়ান্তোৰ আমন্ত্ৰণমৰ্মে ৬ৰ পৰা ৮ জুলাইলৈ ইন্দোনেছিয়া ভ্ৰমণ কৰে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ইন্দোনেছিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয় আৰু দুয়ো দেশৰ মাজৰ সহযোগিতাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত উপস্থিত হয়। তাত তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি অল্বানিজৰ সৈতে তৃতীয় ভাৰত অষ্ট্ৰেলিয়া শীৰ্ষ সন্মিলনত ভাগ লয়। ভ্ৰমণকালত শ্ৰীমোদীয়ে লগতে ভাৰত-অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ বৈঠকতো অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে দুয়োদেশৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সমাবেশতো ভাষণ দিয়ে।

ত্ৰিদেশীয় ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ আমন্ত্ৰণমৰ্মে অকলেণ্ডত উপস্থিত হয়। এয়া আছিল বিগত ৪০ বছৰৰ অধিক সময়ত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নিউজিলেণ্ড ভ্ৰমণ।

ooooooooo

বিজেপিয়ে ভাৰত মহাসাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত স্থায়ী শক্তি হিচাপে আত্মপ্ৰকাশ কৰা বুলি দাবী কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ সন্বিত পাত্ৰই এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৌশলগত সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে শেহতীয়াকৈ ছিছিলি আৰু ইণ্ডোনেছিয়া ভ্ৰমণ কৰে। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তি এটা গুৰুত্বপূৰ্ণ সফলতা বুলি উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে কয়, যে ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ কৌশলগত আৰু অৰ্থনৈতিক মাইলৰ খুঁটি স্বৰূপ এই মুক্ত বাণিজ্য চুক্তি অতি শীঘ্ৰে ৰূপায়ণৰ বাবে দুয়োখন দেশে সন্মতি প্ৰকাশ কৰিছে। শ্ৰীপাত্ৰই প্ৰধানমন্ত্ৰীৰ ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ভ্ৰমণৰ ১০ টা

গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰে। ইয়াৰ ভিতৰত তেওঁ ভাৰত মহাসাগৰ-ভাৰত প্ৰশান্ত মহাসাগৰীয় কৌশলগত মিত্ৰতা, প্ৰতিৰক্ষা আৰু সামুদ্ৰিক সহযোগিতা, গুৰুত্বপূৰ্ণ খনিজ সহযোগিতা, শক্তি, নিৰাপত্তা, অৰ্থনৈতিক আৰু বিনিয়োগৰ ফলাফল, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু শৈক্ষিক অংশীদাৰিত্বৰ কথা উল্লেখ কৰে।

(বাইট ঃ পাত্ৰ)

শ্ৰী পাত্ৰই প্ৰতিৰক্ষা আৰু সামুদ্ৰিক খণ্ডত সহযোগিতাৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে প্ৰথমবাৰৰ বাবে প্ৰতিৰক্ষা সঁজুলিৰ ৰপ্তানিকাৰী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। তেওঁ লগতে ভাৰত আৰু অষ্ট্ৰেলিয়াই প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ ক্ষেত্ৰত যুটীয়া ঘোষণা পত্ৰ জাৰি কৰাৰ কথাও উল্লেখ কৰে। এই চুক্তিৰ অধীনত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ যুদ্ধ জাহাজে উভয় দেশৰ বন্দৰত সেৱা আগবঢ়াব বুলি শ্ৰী পাত্ৰই জানিবলৈ দিয়ে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে ৩৫০ টকাৰ প্ৰচেচিং শুল্ক আদায় দিলে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত ৫ লাখ টকা ঋণ মঞ্জুৰ কৰা হয় বুলি দাবী কৰি প্ৰচাৰ কৰা অনুমোদন পত্ৰখন ভুৱা বুলি অভিহিত কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰ'ৰ তথ্য পৰীক্ষণ গোটে ক্ষুদ্ৰ গোট উন্নয়ন আৰু পুনৰ পুঁজি যোগান সংস্থা মুদ্ৰাই ক্ষুদ্ৰ উদ্যমী অথবা কোনো ব্যক্তিক পোনপটীয়াকৈ ঋণ প্ৰদান কৰা নহয় বুলি স্পষ্ট কৰি দিছে। মুদ্ৰাই অনা বেংকিং বিত্তীয় কোম্পানী, ক্ষুদ্ৰ বিত্ত যোগান প্ৰতিষ্ঠান, সমিতি, ন্যাস আৰু অষ্টম ডফাৰ অধীনত কোম্পানী, ক্ষুদ্ৰ বিত্ত বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংকসমূহকে ধৰি অন্তিম পৰ্যায়ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহকহে পুঁজি যোগান ধৰে বুলি পি আই বিয়ে উল্লেখ কৰিছে। তথ্য পৰীক্ষণ গোটে এই বেংকসমূহে পৰৱৰ্তী পৰ্যায়ত নিৰ্মাণ বাণিজ্য, সেৱা আৰু কৃষিভিত্তিক কাৰ্যকলাপৰ সৈতে জড়িত ক্ষুদ্ৰ আৰু মজলীয়া গোটসমূহক ঋণ প্ৰদান কৰে বুলি প্ৰকাশ কৰে। পি আই বিয়ে জনসাধাৰণক এনে ধৰণৰ ভুৱা বাতৰিৰ সৈতে সতৰ্ক হৈ থাকিবলৈ আৰু এনেধৰণৰ বাৰ্তাৰ ভিত্তিত ধন হস্তান্তৰ নকৰিবলৈ বা ব্যক্তিগত অথবা বেংকৰ সবিশেষ প্ৰকাশ নকৰিবলৈ আহ্বান জনাইছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকৰ য়েমেন ভ্ৰমণ সন্দৰ্ভত কেতবোৰ চৰ্ত আৰোপ কৰি ২০১৭ চনত জাৰি কৰা অধিসূচনাখন প্ৰত্যাহাৰ কৰিছে। য়েমেনত গৃহ যুদ্ধ আৰু সশস্ত্ৰ সংঘৰ্ষৰ বাবে দিনক দিনে বেয়াৰ পিনে ঢাল খোৱা সুৰক্ষা স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নাগৰিকৰ ভ্ৰমণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰি এই অধিসূচনাখন জাৰি কৰা হৈছে। অৱশ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জৰুৰী নহলে য়েমেন ভ্ৰমণৰ পৰা আঁতৰি থাকিবলৈ সকলো ভাৰতীয় নাগৰিকক পৰামৰ্শ আগবঢ়াইছে। মন্ত্ৰালয়ে জৰুৰী কাৰণত য়েমেনলৈ যাবলগীয়া হ'লে দেশখনৰ পৰিস্থিতি মূল্যায়ন কৰাৰ পাছতহে ভ্ৰমণৰ পৰিকল্পনা কৰিবলৈ আৰু সংঘৰ্ষ জৰ্জৰ এলেকাসমূহলৈ নাযাবলৈ কৈছে। মন্ত্ৰালয়ে লগতে য়েমেনত বাস কৰা ভাৰতীয় নাগৰিকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু দেশখনৰ ভিতৰতে আহ-যাহ সীমাবদ্ধ ৰাখিবলৈ আহ্বান জনাইছে।

ooooooooo

ইৰাণৰ সামৰিক বাহিনী আই আৰ জি চিয়ে ছাইপ্ৰাছৰ ধ্বজাবাহী এখন জাহাজক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ পাছত আমেৰিকাই দেশখনৰ বিৰুদ্ধে নতুনকৈ আক্ৰমণ আৰম্ভ কৰিছে। আমেৰিকাৰ কেন্দ্ৰীয়

কামাণ্ডে প্ৰকাশ কৰা মতে দেশখনৰ সেনা বাহিনীয়ে ইৰানৰ প্ৰায় ১৪০টা সামৰিক ঘাটি আৰু যোগাযোগ কেন্দ্ৰক লক্ষ্য কৰি আক্ৰমণ চলাইছে। ইৰাণেও বাহৰেইন, কুৱেইট আৰু সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰক লক্ষ্য কৰি ক্ষেপণাস্ত্ৰ আৰু ড্ৰোণ নিক্ষেপ কৰিছে। কাটাৰ আৰু কুৱেইটে ইৰানে নিক্ষেপ কৰা ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণ ধ্বংস কৰা বুলি দাবী কৰিছে। বাহৰেণেও ক্ষেপনাস্ত্ৰ সতৰ্ক প্ৰণালী সক্ৰিয় কৰি তুলিছে। ইৰাণে জৰ্ডানত থকা আমেৰিকাৰ এটা সামৰিক ঘাটিক লক্ষ্য কৰিও আক্ৰমণ চলোৱা বুলি দাবী কৰিছে।

ইপিনে, ইৰাণে পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত হৰমুজ প্ৰণালী বন্ধ কৰিছে। ইৰাণৰ নৌসেনা বাহিনীয়ে প্ৰকাশ কৰা মতে, এখন জাহাজে অকৰ্তৃত্বশীল পথ ব্যৱহাৰ কৰাৰ প্ৰয়াস চলোৱাৰ পাছত এই সামুদ্ৰিক পথটো বন্ধ কৰি দিয়া হৈছে। বাহিনীটোৱে কৈছে, যে অঞ্চলটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপৰ অৱসান নঘটালৈকে কোনো জাহাজক হৰমুজ প্ৰণালীৰে আহ-যাহৰ অনুমতি দিয়া নহ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশিষ্ট গায়িকা এছ জানকী আম্মাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে জানকী আম্মাৰ মৃত্যু সংগীত আৰু সাংস্কৃতিক জগতৰ বাবে এটা অপূৰণীয় ক্ষতি। জানকী আম্মাই বিভিন্ন ভাষাত কণ্ঠদান কৰা গীতসমূহ প্ৰতিটো প্ৰজন্মৰ মাজত জনপ্ৰিয় আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে গায়িকাগৰাকীৰ সুৰীয়া কণ্ঠই  অনাগত দিনটো সকলোকে মোহিত কৰিব। শ্ৰী মোদীয়ে মৃতকৰ পৰিয়াল তথা অনুগামীসকললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ কোৱাৰ্টাৰ ফাইনেলত আজি পুৱা আৰ্জেণ্টিনাই ছুইজাৰলেণ্ডক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে যোৱানিশা ফ্ল'ৰিডাত অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত নৰ'ৱেক ২-১ গ'লত পৰাস্ত কৰি বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে।

অহা বুধবাৰে প্ৰতিযোগিতাৰ প্ৰথমখন চেমিফাইনেলত ফ্ৰান্স স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। ফ্ৰান্সে কোৱাৰ্টাৰ ফাইনেলত মৰক্কোক ২-০ গ'লত পৰাস্ত কৰাৰ বিপৰীতে স্পেইনে বেলজিয়ামৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰি চেমিফাইনেলত প্ৰৱেশ কৰিছে।

প্ৰতিযোগিতাৰ দ্বিতীয়খন চেমিফাইনেলত অহা বৃহস্পতিবাৰে আৰ্জেণ্টিনা আৰু ইংলেণ্ড মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে বাৰ বজাত আৰম্ভ হ'ব। চেমিফাইনেলত বিজয়ী হোৱা দল দুটাই অহা ২০ জুলাইত নিউয়ৰ্কৰ নিউজাৰ্চি ষ্টেডিয়ামত হ'বলগীয়া ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। আনহাতে চেমিফাইনেলত পৰাজিত দুটা দলে ১৯ জুলাইত মায়ামিত তৃতীয় স্থানৰ বাবে প্লে অফৰ খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০০০

বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ জানিক ছিনাৰ আজি নিশা উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত জাৰ্মানীৰ আলেকজেণ্ডাৰ  জেৰেৰভৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

মহিলাৰ ডাবলছৰ ফাইনেলত আজি গুঅ' হান্যু আৰু লুই'ছা ষ্টেফেনিৰ যুটীটো ক্ৰিষ্টিনা ম্লাডেনোভিছ আৰু গেব্ৰিয়লা ডাব্ৰোস্কিৰ সন্মুখীন হ'ব। খেলখনত ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব।

ইপিনে, চেক গণৰাজ্যৰ লিণ্ডা ন'ছক'ভাই যোৱা নিশা লণ্ডনত অনুষ্ঠিত ফাইনেলত নিজ দেশৰেই কেৰ'লিনা মুকোৱাক ৬-২, ৫-৭, ৬-৩ ছেটত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰে। ইয়াৰ লগে লগে ২১ বছৰীয়া ন'ছক'ভা বিগত ৪ বছৰত এই খিতাপ অৰ্জন কৰা চেক গণৰাজ্যৰ তৃতীয় গৰাকী খেলুৱৈ ৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ২০২৩ চনত মাৰ্কেটা ৱ'নড্ৰোছোভা আৰু ২০২৪ চনত বাৰবোৰা ক্ৰেজিছকোভাই প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছিল।

০০০০০০০০০

সমাপ্ত